# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 23-03-2025
**Time :** 12-05 Hrs

## ASSAMESE MIDDAY BULLETIN
**::::::::::::::::::::::::::::::::**

উত্তৰ-পূবৰ ৰাজ্যসমূহৰ আকৰ্ষণৰ কেন্দ্ৰ হৈ পৰা বিশ্বনাথৰ পাভৈ মীন পামখন কালি অৰুণাচল প্ৰদেশৰ কেবিনেট মন্ত্ৰী গেব্ৰিয়েল ডেন ৱাংচুৱে পৰিদৰ্শন কৰে। পামখন পৰিদৰ্শন কৰি ৰাজ্যখনৰ মীন, কৃষি, পশুপালন আৰু দুগ্ধ বিভাগৰ মন্ত্ৰী ৱাংচুৱে পামখনত অৰুণাচলৰ প্ৰশিক্ষাৰ্থীসকলক উৎসাহিত কৰাৰ লগতে ইয়াৰ কাম-কাজৰ প্ৰশংসা কৰে। উল্লেখযোগ্য যে শেহতীয়াকৈ অৰুণাচল প্ৰদেশ চৰকাৰে পাভৈ মীন পামত মীন পালনৰ প্ৰশিক্ষণৰ বাবে এটা উৎসাহী মীন পালকৰ দল প্ৰেৰণ কৰিছে। কালি মন্ত্ৰীগৰাকীয়ে পামখন পৰিদৰ্শন কৰি অসমৰ লগতে অৰুণাচল আৰু উত্তৰ-পূবৰ অন্য ৰাজ্যসমূহে মীন পালনৰ জৰিয়তে স্বাৱলম্বী হোৱাৰ প্ৰয়াস কৰিব লাগে বুলি মন্তব্য কৰে। অৰুণাচলৰ প্ৰশিক্ষাৰ্থীসকলে এই পামখনলৈ প্ৰশিক্ষণলৈ আহি উপকৃত হোৱা বুলি তেওঁ মন্তব্য কৰে।

oooo

প্ৰশ্নকাকত ফাদিল আৰু প্ৰ'ট'কল উলংঘাৰ বাতৰিৰ বাবে চলিত বৰ্ষৰ উচ্চতৰ মাধ্যমিকৰ প্ৰথম বৰ্ষৰ কাইলৈৰ পৰা ২৯ মাৰ্চলৈ হ'বলগীয়া বাকী বিষয়সমূহৰ পৰীক্ষা বাতিল কৰা হৈছে। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে সামাজিক মাধ্যমযোগে এইকথা প্ৰকাশ কৰিছে। মন্ত্ৰীগৰাকীয়ে কাইলৈ হ'বলগীয়া অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ বৈঠকত পৰৱৰ্তী ব্যৱস্থা সন্দৰ্ভত সিদ্ধান্ত গ্ৰহণ কৰা হ'ব বুলি জানিবলৈ দিছে। ইপিনে, অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে নিৰ্ধাৰিত সময়ৰ পূৰ্বে একাদশ শ্ৰেণীৰ গণিতৰ প্ৰশ্নকাকতৰ পেকেটৰ চীল খোলাৰ বাবে ১০ খন জিলাৰ ১৫ খন ব্যক্তিগত বিদ্যালয়ৰ স্বীকৃতি সাময়িকভাৱে বাতিল কৰিছে। ৰাজ্য চৰকাৰে নিয়মভংগৰ বাবে ৩ খন প্ৰাদেশিকীকৃত বিদ্যালয়ৰ বিৰুদ্ধেও ব্যৱস্থা গ্ৰহণ কৰিব। এই সংক্ৰান্তত এজাহাৰ ৰুজু কৰা হৈছে আৰু বিদ্যালয়কেইখনক ২০২৫-২৬ বৰ্ষৰ বাবে একাদশ শ্ৰেণীত নামভৰ্তিৰ পৰা বাৰণ কৰা হৈছে।

oooo

ৰাজ্য চৰকাৰে চলিত বৰ্ষটো কিতাপৰ বৰ্ষ হিচাপে পালন কৰাৰ পৰিপ্ৰেক্ষিতত নৰ্থ লখিমপুৰ কলেজত অসমীয়া বিভাগৰ উদ্যোগত **অসমীয়া কিতাপৰ ইতিহাস** শীৰ্ষক আলোচনা চক্ৰ অনুষ্ঠিত হৈছে। কালি মহাবিদ্যালয়খনত চলি থকা গ্ৰন্থমেলাৰ সৈতে সংগতি ৰাখি অসম সাহিত্য সভাৰ প্ৰাচ্যবিদ্যাৰ্ণৱ ড০ মহেশ্বৰ নেওগ অসম তত্ত্ব গৱেষণা সংস্থাৰ সহযোগত আয়োজিত দুদিনীয়া আলোচনা চক্ৰখনৰ উদ্বোধনী অনুষ্ঠান অসমীয়া বিভাগৰ মুৰব্বী ড০ অৰবিন্দ ৰাজখোৱাই আগবঢ়ায়। বিশিষ্ট লেখক-অধ্যাপক ৰঞ্জিৎ কুমাৰ দেৱগোস্বামীয়ে ঊনবিংশ আৰু বিংশ শতিকাৰ কিতাপে অসমৰ নৱজাগৰণত আগবঢ়োৱা অৰিহণা সম্পৰ্কে বিশদভাৱে আলোচনা কৰে। অনুষ্ঠানৰ সৈতে সংগতি ৰাখি অসমীয়া গ্ৰামোফোনৰ ইতিহাস সম্পৰ্কেও বহু কথা তথ্যসহ উপস্থাপন কৰে।

oooo

কার্বি আংলং জিলাৰ ডিফুৰ কৃষি বিজ্ঞান কেন্দ্ৰৰ উদ্যোগত যোৱা ১৭ মাৰ্চৰ পৰা অনুষ্ঠিত কণিধান খেতিৰ প্ৰশিক্ষণ কাৰ্যসূচীৰ সামৰণি পৰিছে। এই প্ৰশিক্ষণত আধুনিক পদ্ধতিৰে কণিধান খেতিৰ কাৰিকৰী দিশ, প্ৰসংস্কৰণ, বজাৰৰ চাহিদা সৃষ্টিকে ধৰি বিভিন্ন বিষয়ত প্ৰশিক্ষাৰ্থীসকলক অৱগত কৰোৱা হয়। তদুপৰি ২০ গৰাকী প্ৰশিক্ষাৰ্থীৰ মাজত কণিধানৰ পৰা খাদ্য-সামগ্ৰী প্ৰস্তুতকৰণ প্ৰতিযোগিতাও অনুষ্ঠিত হয়। এই প্ৰতিযোগিতাত শান্তি চেত্ৰীয়ে প্ৰথম স্থান লাভ কৰে।

০০০০

শ্ৰীভূমি আৰক্ষীয়ে কালি অসমত প্ৰৱেশ কৰাৰ চেষ্টা চলোৱা তিনিজন অনুপ্ৰৱেশকাৰীক আটক কৰে আৰু ঘূৰাই পঠিয়ায়। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যম এক্সযোগে এইকথা প্ৰকাশ কৰিছে। অনুপ্ৰৱেশকাৰী কেইজনক ছাজ্জাদ হুছেইন, ছইফুল ইছলাম, মহম্মদ নজমুল হক বুলি চিনাক্ত কৰা হৈছে। চুবুৰীয়া ৰাষ্ট্ৰ বাংলাদেশত অশান্ত পৰিস্থিতিৰ সৃষ্টি হোৱাৰ পাছৰে পৰা অসমৰ পৰা ৩১৫ জনৰো অধিক অনুপ্ৰৱেশকাৰীক ঘূৰাই পঠিওৱা হৈছে আৰু উত্তৰ পূৰ্বাঞ্চলত এহেজাৰ ৮৮৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ ভাৰত-বাংলাদেশ সীমান্তৰ নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে।

০০০০

ডিব্ৰুগড় জিলাৰ মাইজানৰ নগাঘূলীত কালি জিঅ' বেগৰ পলস খনন কৰি থকা অৱস্থাত এজন শ্ৰমিকৰ মৃত্যু হয়। ব্ৰহ্মপুত্ৰৰ পলস খান্দি গৰাখহনীয়া প্ৰতিৰোধৰ কামত নিয়োজিত শ্ৰমিকজনৰ ওপৰত মাটি খহি পৰাত তেওঁৰ থিতাতে মৃত্যু হয়। ৰহমৰীয়া গৰপৰা গাঁৱৰ ৰাজীৱ বৰুৱা নামৰ মৃত শ্ৰমিকজনৰ লগত হৃদয়ানন্দ কোঁৱৰ নামৰ আন এজন শ্ৰমিক গুৰুতৰভাৱে আহত হৈ অসম চিকিৎসা মহাবিদ্যালয়ত চিকিৎসাধীন হৈ আছে।

০০০০

বাক্সা জিলাৰ জালাহস্থিত লক্ষ্মী মন্দিৰ প্ৰাঙ্গনত জালাহ স্পৰ্শ এছোচিয়েছনৰ উদ্যোগত কালি অনুষ্ঠিত হৈ যোৱা অসম ভিত্তিক দিবা-নৈশ ভলীবল প্ৰতিযোগিতাৰ চূড়ান্ত খেলত হানি ক্লাৰ জালাহে বিজয়ীৰ খিতাপ অৰ্জন কৰে। মাজনিশা অনুষ্ঠিত চূড়ান্ত খেলখনৰ বঁটা বিতৰণি সভাত বিজয়ী দল হানি ক্লাৰ জালাহক ট্ৰফীসহ নগদ ২০ হাজাৰ টকা আৰু বিজিত দল সৰভোগ ক্ৰীড়া সন্থাক ট্ৰফীসহ ১৫ হাজাৰ টকা প্ৰদান কৰা হয়। অনুষ্ঠানত কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০

ওৰাং ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ প্ৰকল্পত হাতীৰ স্বাস্থ্য পৰীক্ষা শিবিৰৰ আজি সামৰণি পৰে। ডাঃ কুশল কোঁৱৰ শৰ্মাৰ নেতৃত্বত  দুদিনীয়াকৈ অনুষ্ঠিত স্বাস্থ্য পৰীক্ষা শিবিৰত বন বিভাগৰ কৰ্তব্যত নিয়োজিত হাতীৰ স্বাস্থ্য পৰীক্ষা কৰা হয়।

০০০০

ঃঃ সমাপ্ত ঃঃ